# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-JUNE-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————————

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নতুন দিল্লীত কালি অসমৰ বাচকবনীয়া মুগা শিল্পৰ প্ৰসাৰ আৰু এই শিল্পৰ বিকাশৰ বাবে ৪০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ চেনেহজৰী শীৰ্ষক মুগা অভিযানৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া আৰু কেন্দ্ৰীয় বস্ত্ৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা উপস্থিত থাকে। অসমৰ মুগা শিল্পক গোলকীয় ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে আৰম্ভ কৰা এই অভিযানৰ অধীনত মুগা ৰেচমৰ ৰপ্তানি দুহেজাৰ কিলোগ্ৰামতকৈও অধিক, মুগা সূতাৰ মূল্য প্ৰতি কিলোগ্ৰামত ৩০ৰ পৰা ৪৫ হাজাৰ টকালৈ বৃদ্ধি, পাঁচটা আধুনিক ৰিলিং ইউনিট তথা বিশেষ মুগা সূতা কটা মিল স্থাপন আৰু পাঁচ হাজাৰ হেক্টৰ ভূমিত চোম আৰু সোঁৱালু গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই উপলক্ষে ড° শৰ্মাই কয় যে এই অভিযানে ৰাজ্যৰ হাজাৰ হাজাৰ কৃষক, শিপিনী আৰু শিল্পীৰ জীৱন-জীৱিকা সুৰক্ষিত কৰিব আৰু এহেজাৰ ১৮০টা কৃষক ইণ্টাৰেষ্ট গোট আৰু ৩০টা কৃষক উৎপাদন সংস্থা গঠনেৰে মুগা উৎপাদন আৰু শিপিনীসকলক আৰ্থিকভাৱে সবল কৰি তুলিবলৈ চেষ্টা কৰা হ'ব। অসমৰ যুগমীয়া মুগা শিল্পক বিশ্ব বজাৰত বিশ্বাসযোগ্য আৰু অভিলাষী ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰিবলৈ শিপিনীসকলক ডিজিটেল ব্যৱস্থাৰ সৈতে সুসংঘবদ্ধ কৰা আৰু বিশ্বৰ ক্ৰেতাসকলৰ বাবে মান নিশ্চিত কৰাত সহায়ক হোৱাকৈ জি আই প্ৰমাণিকৰণত মনোনিবেশ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। অনুষ্ঠানত ড'নাৰ মন্ত্ৰী শ্ৰীসিন্ধিয়াই কয়, যে এঘাৰটা উপাদান সন্নিবিষ্ট এই অভিযানৰ মাধ্যমেৰে মুগা পালক, হস্তশিল্পী, বস্ত্ৰশিল্পী আৰু স্থানীয় ব্যৱসায়ীসকলক ন্যায্য প্ৰাপ্য দিয়াৰ লগতে আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ মুগা শিল্পক সন্মান সহকাৰে লৈ যোৱা হ'ব। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানক সাক্ষাৎ কৰি অসমৰ কৃষি আন্তঃগাথনি শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰে। আলোচনাকালত কৃষি আন্তঃগাঁথনি পুঁজি অধিক ব্যৱহাৰ, শীতলীকৃত সংৰক্ষণ ব্যৱস্থা, উন্নত বজাৰ সংযোগ, যান্ত্ৰিক কৃষি পদ্ধতি আৰু শক্তিশালী যোগান শৃংখলা গঢ়ি তোলা বিষয়ত আলোচনা কৰা হয়। অসমৰ কৃষকসকলে যাতে এই উন্নত সুবিধাসমূহ লাভ কৰিব পাৰে সেই বিষয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় কৃষিমন্ত্ৰীগৰাকীৰ সহযোগিতা বিচাৰে।

**বাইট-মুখ্যমন্ত্ৰী**

আলোচনাকালত ৰাজ্যখনত কৃষক কল্যানমূলক আঁচনিসমূহৰ তৃণমূল পৰ্যায়ত ফলপ্ৰসূ ৰূপায়ণ আৰু লাখপতি বাউদেউ আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়।

oooooo

ৰাজ্যত অহা ২ আগষ্টত আৰম্ভ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে বিভিন্ন জিলাত প্ৰশিক্ষণ কাৰ্যসূচী চলি আছে। **মাজুলী** জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি লোকপিয়ল ২০২৭ৰ গৃহ তালিকাভুক্তি আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ আৰম্ভ হয়। জিলা আয়ুক্ত সৃষ্টি সিংহৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী কাৰ্যসূচীত জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াৰ লগতে লোকপিয়লৰ লগত জড়িত বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। লোকপিয়ল বিভাগৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ মুখ্য প্ৰশিক্ষক তথা যুটীয়া সঞ্চালক বিকাশ নাথ আৰু ডি পি এ নাঞ্জু ইংলেঙে ডিজিটেল গণনা আৰু তথ্য সংগ্ৰহ পদ্ধতি সম্পৰ্কে বিস্তৃত প্ৰশিক্ষণ প্ৰদান কৰে। উল্লেখযোগ্য যে দেশত প্ৰথমবাৰৰ বাবে ডিজিটেল আহিলা আৰু

অনলাইন মঞ্চৰ জৰিয়তে এই লোকপিয়ল সম্পন্ন হ'ব। ২ আগষ্টৰ পৰা নাগৰিকৰ বাবে স্ব-পিয়ল আৰু ১৭ আগষ্টৰ পৰা আনুষ্ঠানিক গৃহ তালিকাভুক্তি আৰম্ভ হ'ব। মূল জনসংখ্যা পিয়ল অহা বছৰৰ ফেব্ৰুৱাৰীত আৰম্ভ হ'ব।

ডিব্ৰুগড় জিলাত সোমবাৰে অনুষ্ঠিত প্ৰশিক্ষণত জিলাখনৰ সম-জিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, ৰাজহ চক্ৰ বিষয়াকে ধৰি অন্যান্য বিষয়াসকলে অংশগ্ৰহণ কৰে।

নগাঁও জিলা পৰিষদৰ কাৰ্যালয়ৰ সভাকক্ষত কালি লোকপিয়ল ২০২৭ৰ প্ৰথম পৰ্যায়ৰ গৃহ তালিকাভুক্তি আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত অতিৰিক্ত জিলা আয়ুক্ত সহকাৰী আয়ুক্ত, চক্ৰ বিষয়া, খণ্ড উন্নয়ন বিষয়া প্ৰমুখ্যে চৰকাৰী বিষয়াসকল উপস্থিত থাকে। আজি আৰু অহা ৮ জুনত হ'বলগীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীত তথ্য সংগ্ৰহ পদ্ধতি, ডিজিটেল গণনা আৰু প্ৰয়োজনীয় সমন্বয় ব্যৱস্থাৰ ওপৰত বিশদ আলোচনা কৰা হ'ব।

চিৰাং জিলাতো সোমবাৰৰ পৰা আসন্ন লোকপিয়লৰ বাবে তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। চিৰাং জিলাক ছটা লোকপিয়ল কেন্দ্ৰত বিভক্ত কৰা হৈছে। ইয়াৰে বিজনী, ছিদলী আৰু বেংতলে গ্ৰামাঞ্চলক সামৰি লোৱাৰ বিপৰীতে বিজনী, বাসুগাঁও আৰু কাজলগাঁৱে চহৰ অঞ্চলক সামৰি লৈছে। চিৰাং জিলাৰ আয়ুক্ত মধুসূধন নাথে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত ২০২৭ বৰ্ষৰ লোকপিয়লৰ চৰকাৰী শুভংকৰ প্ৰতীক **প্ৰগতি আৰু বিকাশ** উন্মোচন কৰে।

উল্লেখযোগ্য যে ৰাজ্যত আসন্ন লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোকপিয়ল সঞ্চালকালয়ে সকলো ধৰণৰ প্ৰাৰম্ভিক প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ইয়াৰ বাবে ইতিমধ্যে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জন গণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্প ব্যৱস্থা কৰা হৈছে। লোকপিয়লত জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব।

০০০০০০

**সমাপ্ত**